

৭.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ৰচনা বুলিলে কি বুজে? ৰচনা লিখাৰ নীতি সম্পৰ্কে লিখক।

প্ৰশ্ন নং ২ ঃ ৰচনাৰ শ্ৰেণীবিভাগ কৰি প্ৰত্যেকটো শ্ৰেণীৰ কি কি দিশ বিষয়বস্তুত সামৰিব লাগিব সেই বিষয়ে লিখক।

প্ৰশ্ন নং ৩ ঃ অসমৰ প্ৰাকৃতিক সম্পদৰ বিষয়ে আপোনাক ৰচনা লিখিবলৈ দিলে আপুনি তাত ৰচনা লিখাৰ কোনকেইটা নীতি অৱলম্বন কৰি আগবাঢ়িব? আলোচনা কৰক।

অধ্যায় ৮ ঃ লেখনী নির্মাণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ লেখনীৰ সুসঙ্গত গঠন
৮.৪ অনুচ্ছেদ নির্মাণ
৮.৫ অনুচ্ছেদ লেখন প্রক্রিয়া
৮.৬ প্রবন্ধ/ৰচনা নির্মাণ
৮.৭ আপোনাৰ লেখনীৰ সম্পাদনা
৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্রগতিৰ খতিয়ান
৮.১১ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা নির্মাণৰ বিষয়ে জানিব পাৰিব
- লেখনী নির্মাণৰ মূল কথাকেইটা বুজিব পাৰিব
- এটা পাঠৰ আবয়বিক গঠনমূলক সংযুতি সম্পর্কে জানিব পাৰিব
- লেখন প্রক্রিয়াৰ বিভিন্ন উপাদানৰ বিষয়ে জানিব পাৰি

৮.২ পৰিচয়

এইটো ‘প্রায়োগিক অসমীয়া’ AEC পাঠ্যবিষয়ৰ অষ্টম অধ্যায়। ইয়াত লেখনী এটাৰ বিভিন্ন দিশৰ বিস্তৃত আলোচনা পাব। অনুচ্ছেদ লেখন, প্রবন্ধ, ৰচনা আৰু লেখনীৰ সম্পাদনাৰ কেতবোৰ গুৰুত্বপূর্ণ দিশৰ আলোচনা এই অধ্যায়ত আগবঢ়োৱা হৈছে।


৮.৩ লেখনীৰ সুসংগত গঠন

মনৰ ভাব প্রকাশ কৰিবলৈ আমি মুখেৰে কিছুমান সাংকেতিক ধ্বনি উচ্চাৰণ কৰোঁ। সেই ধ্বনিয়ে বহন কৰা সংকেত আনে বুজে অর্থাৎ তাৰ অর্থ থাকে। গতিকে অর্থ থকা হ’ল

ধ্বনিৰ সমষ্টিয়েই ভাষা। ভাষাৰ দুটা ৰূপ— বাচিক নাইবা কথিত আৰু লিখিত। উভয়েই বিভিন্ন স্তৰৰ মাজেদি গতি কৰে। কথিত ভাষাত কিছুমান ধ্বনিৰ নমুনা (sound-patterns) আছে, যিবোৰে এক নির্দিষ্ট গঠন অনুসৰণ কৰে। অধ্যয়নৰ ই এক নির্দিষ্ট বিষয়-ক্ষেত্ৰ আৰু ই গাঁথনিক নাইবা ৰূপগত ধ্বনিতত্ত্বৰ ভিতৰুৱা বিষয়। কিন্তু ই আমাৰ আলোচনাৰ বিষয় নহয়। ইয়াত আমি লিখিত ভাষাৰ নির্মাণ সম্পর্কেহে আলোচনা কৰিম।

লিখিত ভাষা নির্মাণ সৈতে জড়িত অধ্যয়নৰ বিভিন্ন দিশৰ ভিতৰত এটা দিশ হৈছে ভাষাৰ ৰূপ (morpheme), শব্দ, বাক্যাংশ, খণ্ডবাক্য, বাক্য আদিৰ ক্ৰমোচ্চ শ্ৰেণীবিভাজিত গঠন স্তৰত ভাষাৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা। ক্ৰমোচ্চ শ্ৰেণীবিভাজিত গঠন স্তৰত বাক্য এটাক আমি এনে ধৰণে বিশ্লেষণ কৰিব পাৰোঁ—

ওপৰৰ পৰা তললৈ বিশ্লেষিত হয়।



অর্থাৎ, বাক্যবোৰক খণ্ডবাক্যলৈকে, খণ্ডবাক্যক বাক্যাংশলৈকে, বাক্যাংশক শব্দলৈকে আৰু শব্দক 'ৰূপ' নাইবা ভাষাৰ অর্থ থকা ক্ষুদ্রতম গোটলৈকে এনেদৰে বিশ্লেষণ কৰিব পাৰি। বিপৰীতভাৱে, আমি তলৰ পৰা ক্ৰমে 'ৰূপ'বোৰক শব্দলৈ, শব্দবোৰক বাক্যাংশলৈ, বাক্যাংশক খণ্ডবাক্যলৈ আৰু খণ্ডবাক্যক বাক্যলৈ সজাব পাৰোঁ। ক্ৰমোচ্চ এই ৫টা স্থানৰ শ্ৰেণীবিভাজিত গঠনত 'ৰূপ' (morpheme)ৰ ধাৰণাটোৱেই ক্ষুদ্রতম ভাষিক গোট বুলি ব্যৱহাৰ কৰা হয়।

নিম্নোক্ত শব্দকেইটাৰ গঠন প্ৰক্ৰিয়াবোৰ চাওঁ আহকচোন।

(ক)	(খ)
শব্দ	**ক্ষুদ্রতম অর্থসমৃদ্ধ উপাদানবোৰ**
কিতাপবোৰ	কিতাপ + বোৰ
অভয়	অ + ভয়
অসুখীয়া	অ + সুখ + ঈয়া
মন্তব্য	মন্ + তব্য
ৰাইজ	ৰাইজ

ইয়াত *কিতাপ* এই মূল শব্দটোৰ লগত 'বোৰ' বহুবচনৰ প্ৰত্যয় যোগ হৈছে। ভয় শব্দটোৰ আগত 'অ' টো নঞৰ্থক বর্ণৰূপে বহি নেতিবাচক শব্দটোৰ গঠন হৈছে। অসুখীয়া শব্দটোত সেইদৰে অ + সুখ + ঈয়া হৈ মূল শব্দ 'সুখ'টোৰ আগত 'অ' উপসর্গ আৰু পাছত 'ঈয়া' প্ৰত্যয়

যুক্ত হৈ তিনিটা উপাদান নাইবা অংশৰ সমষ্টি হৈছে। যি শব্দক বিশ্লেষণ কৰিব নোৱাৰি তাক মৌলিক শব্দ বোলে। প্রত্যয়, উপসর্গ নাইবা সমাস আদিৰ সহযোগত যিবোৰ শব্দ নিষ্পন্ন হয়, সেইবোৰ শব্দ হ'ল সাধিত শব্দ। মৌলিক শব্দৰ প্রকৃতি-প্রত্যয় বিশ্লেষণ কৰিব নোৱাৰি; কিন্তু মূল শব্দ, উপসর্গ, প্রত্যয় নাইবা সমাস— এই সকলোকেইটাই 'ৰূপ'। মূল শব্দবোৰ, যেনে- কিতাপ, মাছ, মন ইত্যাদি মুক্ত ৰূপ। কিন্তু প্রত্যয়, উপসর্গ নাইবা অগ্রসংযুক্ত অব্যয় আদিয়ে পৃথক শব্দ ৰূপে মর্যাদা নাইবা স্থিতি নোপোৱা বাবে সেইবোৰ মুক্ত 'ৰূপ' হ'ব নোৱাৰে। মুক্ত 'ৰূপ'ৰ সৈতে সেইবোৰ সংযুক্ত হৈ থাকে। গতিকে সেই বর্ণ নাইবা বর্ণসমষ্টিক বদ্ধ 'ৰূপ' বুলি কোৱা হয়। ইয়াত ওপৰত দেখুৱাই অহা 'খ' স্তম্ভৰ 'বোৰ', 'অ' 'ঈয়া', 'তব্য' আদি বদ্ধ 'ৰূপ'।

এই বদ্ধ 'ৰূপ'ক আমি অসমীয়া ভাষাৰ ব্যাকৰণত উল্লেখ থকা বিভক্তি বুলি পৰিচয় দিব পাৰোঁ। ব্যাকৰণ মতে শব্দৰ পাছত বিভক্তি যোগ হ'লে পদ হয়। পদ বাক্যত ব্যৱহাৰ হয়। গতিকে বাক্যৰ প্রত্যেকটো শব্দই একোটা পদ।

গতিকে দেখা গ'ল যে 'ৰূপ'ৰ সহায়ত আমি শব্দৰ গঠন বিশ্লেষণ কৰিব পাৰোঁ।

(খ) বাক্যাংশঃ

বাক্যৰ ভিতৰতে বাক্যাংশ আৰু খণ্ডবাক্যও থাকে। বাক্যাংশবোৰ এটা নির্মিত ৰূপ আছে। বাক্যৰ মাজত কেইটামান পদে (বিভক্তিযুক্ত শব্দ) বিশেষ অর্থ বুজায় এইবোৰ মূল শব্দ নাইবা পদৰ সম্প্রসাৰণ ৰূপে ব্যৱহৃত হয় এনে পদবোৰ বিশেষ্য, বিশেষণ নাইবা অব্যয় পদৰ দৰে বহে। গতিকে বাক্যাংশবোৰ বিশেষ্যস্থানীয়, বিশেষণস্থানীয়, ক্রিয়াবিশেষণ স্থানীয় নাইবা অব্যয়স্থানীয় হ'ব পাৰে।

কেইটামান উদাহৰণলৈ মন কৰক—
গছ — গছবোৰ
সেই গছবোৰ
সেই ওখ গছবোৰ
সকলোবোৰ ওখ গছ
অৰণ্যত থকা সকলোবোৰ গছ

ইয়াত 'গছ' শব্দটোক বহুবচনৰ প্রত্যয়েৰে, নির্দেশক নাইবা নির্দিষ্টবাচক শব্দটোৰে, বিশেষণীয় 'ওখ' শব্দেৰে, 'সকলো', 'বোৰ' আদি বহুবচনাত্মক বিশেষণীয় স্থানেৰে আৰু শেষত অব্যয়স্থানীয় 'অৰণ্যত থকা' এই বিভিন্ন পদকেইটা বিশেষভাৱে ব্যৱহাৰ কৰি বাক্যাংশ গঠন কৰা হৈছে।

সম্পূর্ণ বাক্যত থকা হিচাপে ব্যাক্যাংশৰ উদাহৰণ এনেকুৱা ঃ
১। **লোকৰ অন্যায় কৰা** বেয়া স্বভাৱ। (বিশেষ্যস্থানীয়)।

২। **গছত উঠা** মানুহজনে **হাতত থকা** দাৰে ডাল কাটিছে। (বিশেষণস্থানীয়)।

৩। **ধৈর্য সহকাৰে** কাম কৰা উচিত। (ক্রিয়া বিশেষণস্থানীয়)

৪। **বনাঞ্চলত থকা** সকলোবোৰ গছ কটা গ'ল। (অব্যয়স্থানীয়)

বিভিন্ন আখ্যা দি বাক্যাংশৰ আন্তঃগাঁথনি আমি এনেদৰে বিশ্লেষণ কৰিব পাৰোঁ।

(গ) খণ্ডবাক্য

খণ্ডবাক্যবোৰো নির্মিত ৰূপৰ। খণ্ডবাক্য-গঠনত এই উপাদানবোৰ থাকে ঃ কর্তা, কর্ম, ক্রিয়া, সম্পূৰক আৰু ক্রিয়া বিশেষণ। দীঘল বাক্যৰ অন্তর্গত এই উপাদানবোৰ সন্নিৱিষ্ট সৰু সৰু বাক্যকে খণ্ডবাক্য বোলে। ইতিমধ্যে আপুনি কর্তা + ক্রিয়া, কর্তা + ক্রিয়া বিশেষণ +ক্রিয়া, কর্তা + ক্রিয়া + সম্পূৰক, কর্তা + কর্ম + ক্রিয়া, কর্তা + কর্ম + ক্রিয়া বিশেষণ + ক্রিয়া, কর্তা + কর্ম + ক্রিয়া + সম্পূৰক আদি মৌলিক খণ্ড বাক্যৰ বিশ্লেষিত প্রকাৰবোৰৰ সৈতে পৰিচিত হৈছে। খণ্ডবাক্যৰ বিশ্লেষণ আৰু কেই দিশেৰে কৰিব পাৰি। কিন্তু আমাৰ এই পাঠত আটাইবোৰ প্রকাৰ আলোচনা কৰাৰ পৰিসৰ নাই।

স্পষ্টকৈ বুজাৰ বাবে বাক্যাংশ আৰু খণ্ডবাক্যৰ মূল পার্থক্য এয়াই যে—

(১) বাক্যাংশই মূল বাক্যৰ একোটা অংশৰহে অর্থ প্রকাশ কৰে। কর্তা আৰু সমাপিকা ক্রিয়া নাথাকে।

(২) খণ্ডবাক্য একোটা মূল বাক্যৰ অংশ। এই অংশই মূল বাক্যৰ অর্থ সম্পূর্ণ কৰাত সহায় কৰে। খণ্ডবাক্যত কর্তা আৰু সমাপিকা ক্রিয়া থাকে যদিও এইবোৰ সদায় প্রধান বাক্যৰ অধীনত থাকে।

ক্রমোচ্চ শ্রেণীবিভাজন স্তৰ মতে 'ৰূপ'ৰ ধাৰণাৰ পৰা শব্দলৈ, শব্দৰ পৰা বাক্যাংশলৈ আৰু বাক্যাংশৰ পৰা খণ্ড বাক্যৰ ধাৰণালৈ আৰু তাৰ পাছত বাক্যৰ ধাৰণালৈ আমি আগবাঢ়ি যাওঁ। অর্থাৎ আমি এইদৰেই ক'ব পাৰো যে বাক্যৰ উপাদান হ'ল পদ, পদৰ উপাদান শব্দ আৰু শব্দৰ উপাদান হ'ল 'ৰূপ'বোৰ।

(ঘ) বাক্য ঃ

গতিকে সুস্পষ্টভাৱে দেখা যায় যে বাক্যৰো এক নির্মিত ৰূপ আছে। নির্দিষ্ট গঠন অনুসৰণ কৰি শব্দ, বাক্যাংশ আৰু খণ্ডবাক্যেৰে সম্পূর্ণ বাক্য এটা গঠিত হয়। যিবোৰ শব্দই বাক্য গঠন কৰে সেইবোৰ ভিন্ন ভিন্ন শ্রেণীৰ। অর্থাৎ শব্দবোৰ বিভিন্ন পদ বিশিষ্ট আৰু প্রত্যেকৰে নিজা নিজা কার্য আছে। এটা বাক্য নির্মাণত শব্দবোৰৰ মাজত ব্যাকৰণগত সংযুক্তি থাকিবই লাগিব। এক মিলন নাইবা আসত্তিয়ে সেই সংযুক্তিৰ সংকেত দিয়ে। ভাৰতীয় অলংকাৰ শাস্ত্রই বাক্য নির্মাণৰ ক্ষেত্রত তিনিটা বিষয় লক্ষ্য কৰিবলগীয়া বুলি কৈছে। (১) **যোগ্যতা** (২) **আকাঙ্ক্ষা** আৰু (৩) **আসত্তি। যোগ্যতা** মানে হ'ল অর্থসংগতি আৰু ভাবসংগতিৰ বাবে পদসমূহৰ নিজা

অর্থ থাকিলেও সামূহিকভাৱে এটা অর্থ প্রকাশ কৰিব পৰা সামর্থ। যেনে, **'চৰাই স্তন্যপায়ী প্রাণী'**—এই বাক্যটোত যোগ্যতাৰ অভাৱ আছে। কাৰণ, ব্যাকৰণগতভাৱে শব্দৰ বিন্যাস শুদ্ধ হ'লেও অর্থ আৰু যুক্তিগতভাৱে ই বাক্য হোৱা নাই। কাৰণ, 'চৰাই অণ্ডজ প্রাণী'হে। সেইদৰে, 'বাঘে মাজে মাজে মানুহ খায়' এটা বাক্য কিন্তু 'মানুহে মাজে মাজে বাঘ খায়' বোলা কথাষাৰ বাক্য নহয়; কাৰণ, তাত যোগ্যতাৰ অভাৱ।

আকাঙ্ক্ষাৰ অর্থ হ'ল যে যেতিয়ালৈ বাক্যৰ অর্থ সম্পূর্ণ নহয়, পূর্ণ অর্থটো জানিবলৈ পাঠকৰ মনত অপূর্ণতাজনিত এটা আকাঙক্ষা ৰৈ যায়। উহ্য হৈ থকা অংশটি জনাৰ বাবে এটা আগ্রহ থাকে। 'মই কিতাপ...' এইখিনি শুনাৰ পাছত এটা পদৰ আৱশ্যক হয়, এটা আকাঙক্ষা থাকে। 'পঢ়োঁ', 'নপঢ়োঁ', নাইবা 'পালোঁ' এনে এটা পদ যোগ হ'লে আকাঙক্ষাৰ নিবৃত্তি হয়।

আসত্তি এটা পাৰিভাষিক শব্দ। বাক্যৰ যথাস্থানত বিভিন্ন অংশ স্থাপনৰ যুক্তিসংগত সামীপ্যই হৈছে আসত্তি। এটা বাক্য ওলট পালটকৈ স্থাপন কৰি চাওঁ আহক। 'ৰামৰ শৰত ৰাৱণ পৰিল' বাক্যটো 'ৰাৱণ শৰত ৰামৰ পৰিল' বুলি লিখিলে তাত **আসত্তি** নাথাকে। অর্থাৎ ; বাক্যটোৰ যথাস্থানত পদবোৰ স্থাপন কৰা হোৱা নাই।

এই তিনিটা গুণ বাক্য ৰচনাৰ মৌলিক ধর্ম। বাক্য ৰচনাত বাক্যৰ উপাদানসমূহৰ মাজত এই ত্রিগুণ জড়িত হৈ থাকে। যাৰ ফলত সকলো উপাদানে এক বিশেষ বৈশিষ্ট্য মিলি বাক্য এটাক প্রদান কৰে। অসমীয়া সৰু বাক্য এটাত একবচন-বহুবচনৰ ক্রিয়াত কর্তাৰ এনে পৰিৱর্তনৰ সৈতে বাক্যৰ উপাদানবোৰৰ কেনে ধৰণৰ সংস্থাপন হয়, তালৈ মন কৰকচোন।

একবচন	**বহুবচন**
তেওঁ খোজ কাঢ়ে	তেওঁলোকে খোজ কাঢ়ে।
তেওঁ আজি আহিব	তেওঁলোক নাইবা সিহঁত আজি আহিব।
তুমি আজি আহিবা	তোমালোক আজি আহিবা।
মই আজি আহিম	আমি আজি আহিম।

বাক্যৰ ত্রিগুণ ধর্ম থকাৰ বাবেই উপাদানবোৰৰ স্থাপনাত আমি পদবিন্যাস অর্থাৎ syntax ৰ নিয়মবোৰ পাওঁ।

আলাপ-আলোচনা ঃ

এতিয়া আমি বাক্যৰ পর্যায়ৰ পৰা লেখনী নির্মাণৰ একপৰৱর্তী উচ্চ স্তৰলৈ আগবাঢ়োঁ আহক। এই পর্যায়ত আমি ইংৰাজী ভাষাত ব্যৱহৃত শব্দ Discourse এ বুজোৱা স্তৰটো আলোচনা কৰিম। পৰম্পৰাগতভাৱে Discourse হৈছে মৌখিক অথবা লিখিত আলাপ-আলোচনা, কথোপকথন, গহীন আলোচনা অথবা এটা মনোজ্ঞবিষয়ৰ বিচাৰ-বিশ্লেষণ। আভিধানিক অর্থ মতে ভাবানুক্রমৰ সৈতে সংযুক্ত উক্তি নাইবা প্রকাশ। Discourse, Treatise আৰু dissertation এই তিনিওটা শব্দ প্রায় সমার্থক। সাধাৰণতে এটা বিষয়ৰ discourseৰ 'বৃত্তান্ত'

(narrative)ত 'কি'ৰ বিপৰীতে 'কেনেকৈ'ৰো লগতে বিচাৰ কৰা হয়। অতি সাম্প্রতিক কালত এই শব্দৰ অর্থই ব্যাপকতা তাত্ত্বিক তাৎপর্য লাভ কৰিছে। কিন্তু কেতিয়াবা ই কেৱল এক লেখনী-খণ্ড(a piece of writing)ৰহে কথা বুজায়।

ভাষাতত্ত্বৰ দৃষ্টিৰে এই শব্দটোৱে এটা বাক্যতকৈ অধিক লেখনীক জড়িত কৰে আৰু বাক্যতকৈ ভাষাৰ বিস্তাৰৰ আধিক্যক সূচিত কৰে। মূলতঃ ই হ'ল ভাষা, যি ধ্বনিকৃত ৰূপ লৈছে অথবা উচ্চাৰিত হৈছে। ইয়াৰ শ্রোতা আৰু পাঠক আছে। তেওঁলোক ইয়াৰ 'কর্ম' আৰু ভাষাৰ ধ্বনি নাইবা উক্তি হ'ল 'কর্তা'। এই আলাপ নাইবা আলোচনাই সকলো প্রকাৰৰ উক্তি নাইবা ধ্বনিকে সামৰি লয়। এখন খেলৰ ধাৰাভাষ্য, বিজ্ঞান বিষয়ৰ এক গৱেষণা, শিশুৰ বাবে লিখা এটা গল্প— এই সকলোৰে বাবে পৃথক পৃথক ভাষা নাইবা প্রকাশভংগীৰ ব্যৱহাৰ পদ্ধতি আছে। এনে বিভিন্ন discourse আছে য'ত বিভিন্ন ধৰণৰ বিশেষ ভাষা ব্যৱহৃত হয়। সত্তৰৰ দশকত উদ্ভৱ হোৱা এটা তত্ত্ব 'আলোচনা-বিশ্লেষণ' (Discourse Analysis)এ বাক্যসমূহৰ মাজত থকা সংযোগবোৰ বিচাৰ কৰাৰ প্রয়াস চলাইছিল। সংযোগবোৰক নিয়ন্ত্রণ কৰা নিয়মবোৰে ইয়াৰ সংজ্ঞা নিৰূপণ কৰিছে।

কবিতা, দার্শনিক ৰচনা, ৰাজনৈতিক লেখনী, বক্তৃতা, সংলাপ ইত্যাদি সকলোবোৰেই আজিকালি Discourseৰ ভিতৰুৱা।

পাঠ (Text) ঃ

Discourseৰ এই পর্যায়টোক আমি **'পাঠ'** (text) বুলিও ক'ব পাৰো। আমাৰ এই অধ্যায়ৰ বাবে **'পাঠ'** শব্দটো বিচাৰ কৰি চাওঁ আহক।

'পাঠ' হৈছে এটা লিখিত নাইবা কথিত ভাষাৰ খণ্ড নাইবা দফা। ই এখন মূল পুথি হ'ব পাৰে, ধর্মগ্রন্থৰ আংশিক দফা হ'ব পাৰে ইত্যাদি। কিন্তু ইয়াৰ এক পৰিৱেশ্য সংযোগী কার্য আছে । ই সাহিত্যকর্ম অথবা লেখনীৰ খণ্ড, এই খণ্ডবোৰ সমালোচনা নাইবা সমীক্ষণৰ বিষয়। কোনো ৰচনা নাইবা কোনো লেখনীক আমি পৰম্পৰাগতভাৱে সাহিত্যিক কর্ম বুলি কওঁ, কিন্তু সাম্প্রতিক কালৰ তাত্ত্বিক সমীক্ষাত্মক বিচাৰত ই মাথোন পাঠহে। 'ধূমপান নিষেধ' নাইবা 'ধূমপান নকৰিব' বুলি লিখা বাক্য এটাক কোনো ৰচনাত্মক কর্মৰ ভিতৰুৱা বুলি ধৰা নহৈছিল। কিন্তু সাম্প্রতিক ধাৰণাত ইও এটা 'পাঠ'। কাৰণ এই শব্দ দুটাই এটা বার্তা নাইবা ভাব প্রেৰণ কৰিছে।

তথাপিও 'পাঠ'ক আমি কোনো দফা, অনুচ্ছেদ নাইবা ৰচনাৰ সমার্থক ৰূপে ব্যৱহাৰ কৰোঁ। এই অর্থত যে পাঠবোৰত বাক্যতকৈ অধিক গোটসমূহ আছে আৰু পৰিসৰত এইবোৰে 'পাঠ'ক বাক্যতকৈ বহল কৰিছে।

ইয়াৰ পাছত আমি এই অধ্যায়ৰ পৰৱৰ্তী অংশত লেখনী-নির্মাণৰ উদাহৰণস্বৰূপে অনুচ্ছেদ আৰু ৰচনা নাইবা প্রবন্ধৰ গঠন সম্পর্কে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ওপৰত কৈ অহা হৈছে যে এটা পাঠে বার্তা নাইবা ভাব প্রেৰণৰ কার্য সম্পাদন কৰে। নিম্নোক্ত পাঠকেইটাই কি কার্য সম্পন্ন কৰিছে? (প্রথমটোৰ উত্তৰ দিয়া হৈছে)

(ক) দুর্বল দলং ঃ সতর্কবাণী

(খ) হাত-মূৰ বাহিৰলৈ নুলিয়াব ঃ

.....

(গ) মৌনতা (গ্রন্থাগাৰত) ঃ .....

(ঘ) অনুগ্রহ কৰি বাঁওফালৰ দুৱাৰেৰে প্রৱেশ কৰক ঃ

.....

(ঙ) মই ভিতৰলৈ আহিব পাৰোনে? ঃ

.....

(চ) আপুনি খিৰিকীখন খুলি দিব নেকি? ঃ

.....

৮.৩ লেখনীৰ সুসঙ্গতিপূর্ণ গঠন

ইংৰাজী নাইবা যিকোনো ভাষাৰ উচ্চ পর্যায়ৰ স্তৰত লেখা-মেলা কৰা এগৰাকী লেখক ৰূপে আপুনি এটা বাক্যতকৈ অধিক মাত্রাত লেখনী লিখিবলগীয়া হয় নাইবা লিখে। তেনে লেখনীবোৰ তলত দিয়া ধৰণৰ হ'ব পাৰে—

- কোনো বিষয়ৰ এক নাইবা একাধিক অনুচ্ছেদ— যি অনুচ্ছেদে কোনো উদাহৰণ দাঙি ধৰে, কোনো ঘটনাৰ বর্ণনা কৰে, কোনো বিষয় বর্ণনা কৰে, কোনো প্রক্রিয়া বিশ্লেষণ কৰে নাইবা শ্রেণীবিভাজন কৰে ইত্যাদি।
- কোনো বিষয়ৰ ৰচনা নাইবা প্রবন্ধ— যি বৃত্তান্তমূলক, বর্ণনাত্মক নাইবা তর্কমূলক হ'ব পাৰে।
- কোনো ঘটনা নাইবা ক্রিয়া-কলাপৰ প্রতিবেদন।
- ব্যক্তিগত, অর্দ্ধ -চৰকাৰী অথবা চৰকাৰী চিঠি-পত্র।
- এটা গল্প নাইবা কবিতা নাইবা বহল পৰিসৰৰ এটা সৃষ্টিশীল 'পাঠ' ইত্যাদি।

'ৰচনা' নাইবা 'পাঠ' বুলি কোৱা এনেবোৰ লেখাৰ সাধাৰণ লক্ষণ অথবা বৈশিষ্ট্যটো হ'ল ইয়াৰ মাজত থকা বাক্যবোৰৰ এক পাৰস্পৰিক নির্ভৰশীলতা থাকে। বাক্যবোৰ শিথিলভাৱে নাইবা জধে-মধে ব্যৱহাৰ কৰা নহয়। বাক্যবোৰে নিজৰ মাজত আন্তঃ সম্পর্ক দেখুৱায় আৰু তেতিয়া লেখনীটোৱে এটি সংগতিপূর্ণ ৰূপ ধাৰণ কৰে।

গতিকে এটা 'পাঠ' অংশৰ বাক্যবোৰৰ মাজত সেই সংগতি ৰক্ষা হৈছেনে নাই লেখক সেয়া সুনিশ্চিত কৰাটো আপোনাৰ প্রধান উদ্দেশ্য হোৱা উচিত।

ৰচনাৰ এই সুসংগতি আমি বিভিন্ন উপায়েৰে সাধন কৰিব পাৰোঁ। তাৰে ভিতৰত কেইটামান উপায় উল্লেখনীয়।

(১) প্রকাশ্য সংযোজক অব্যয়ৰ প্রয়োগ ঃ

আগতে কি কোৱা হৈছে, সেই বিষয়ে পাছত পুনৰ কি ক'ব লাগে এই দুয়োটা কথাৰ মাজত যোগসুত্র স্থাপন কৰিবলৈ কিছুমান আনুষ্ঠানিক নির্দেশক চিহ্ন আছে। ব্যাকৰণৰ ভাষাত কিছুমান শব্দই বিভিন্ন পদ নাইবা বাক্যৰ মাজত অন্বয় অথবা সম্বন্ধৰ নির্দেশ কৰে। সেইবোৰক অব্যয় বোলা হয়। অব্যয়ৰ প্রকাৰ কেইটামান হ'ল ঃ

(ক) সংযোগবাচক ঃ আৰু, নাইবা, তদুপৰি, তেন্তে, নিচিনা, উপৰি, যিহেতু ইত্যাদি।

(খ) তুলনামূলকভাৱে বৈষম্যবাচক ঃ কিন্তু, আনহাতে, তথাপিও, যিহওক ইত্যাদি।

(গ) হেতুবাচক অথবা সিদ্ধান্তমূলক ঃ সেইদেখি, সেইবাবে, ফলত, গতিকে, এইকাৰণে, ইত্যাদি।

(ঘ) সময়-সম্বন্ধীয় ঃ তাৰ পাছত, তেতিয়া, অকস্মাৎ, হঠাৎ, পলমকৈ, অৱশেষত ইত্যাদি।

যেনে, মই সোনকালে গুচি আহিলোঁ। যিহওক, দিলীপ শেষলৈকে থাকিল।

(২) সহসম্পর্কিত বৈশিষ্ট্যৰ ব্যৱহাৰ ঃ

কেতিয়াবা কোনো লেখনীৰ অঙ্গ নাইবা বৈশিষ্ট্যৰ অর্থ 'পাঠ'ৰ অন্য কোনো বৈশিষ্ট্যৰ সৈতে যুক্ত কৰি নেদেখুৱালে অর্থ স্পষ্ট নহয়। ইয়াকে সহসম্পর্কিত বৈশিষ্ট্য বুলি কোৱা হয়। এনেকুৱা দুই প্রকাৰৰ সম্পর্ক স্বীকৃত লেখনীৰ ক্ষেত্রত। যেনে,আদ্যপুনৰুক্তি Anaphoric relationship নাইবা anaphora আৰু পশ্চোন্মুখী সম্পর্ক।

(ক) আদ্যপুনৰুক্তি সম্পর্ক ঃ

এটা পাঠ নাইবা সংলাপত আগতে ব্যৱহাৰ হৈ অহা এটা শব্দ নাইবা বাক্যাংশক যেতিয়া আন এটা শব্দ নাইবা বাক্যাংশৰ ব্যৱহাৰেৰে বিজড়িত কৰা হয়, তেতিয়া তাক আদ্যপুনৰুক্তি বুলি কোৱা হয়। উদাহৰণ, 'এহাল স্বামী-স্ত্রীয়ে স্বামীৰ সামান্য উপার্জনেৰে কষ্টেৰে বসবাস কৰিছিল। বিবাহৰ পাছত তেওঁলোকৰ দুটি সন্তান জন্মিছিল।' ইয়াত দ্বিতীয় বাক্যৰ তেওঁলোকৰ শব্দটোৱে দুখীয়া স্বামী-স্ত্রীহালৰ সম্পর্ক স্থাপন কৰি দেখুৱাইছে।

আদ্যপুনৰুক্তি অলংকাৰ শাস্ত্রৰ এবিধ আহিলা। ইয়াত এটা শব্দ নাইবা শব্দ সমষ্টিৰ পৰৱর্তী

খণ্ডবাক্যসমূহত পুনৰাবৃত্তি ঘটে। ভাব, অনুভূতি, ক্রিয়াৰ তীব্রতা আদিত প্রাবল্য সৃষ্টিৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়। ইয়াক বুলিও anaphora কোৱা হয়। ই পুনৰাবৃত্তি সমার্থক। কবিতাত ইয়াৰ প্রয়োগ সঘন ঘটে।

(খ) পশ্চোন্মুখী সম্পর্ক ঃ

এটা পাঠত এনে কিছুমান শব্দ অথবা বাক্যাংশ ব্যৱহাৰ আগতেই যি কৰা হয় পাছলৈ পাঠত ব্যৱহৃত হ'বলগীয়া আন কোনো শব্দ অথবা বাক্যাংশৰ সৈতে আগতেই সম্পর্ক স্থাপন কৰে। শব্দ অথবা বাক্যাংশৰ এনে ব্যৱহাৰক পশ্চোন্মুখী সম্পর্ক বোলা হয়।

উদাহৰণঃ তোমাৰ লগত যদি কোনোবা এজন যাবই লাগে, মোৰ বন্ধুহঁত সৌ তাতে বহি আছে।

- ইয়াত'কোনোবা এজন'এ আগতেই 'মোৰ বন্ধুহঁত'ৰ সৈতে বিজড়িত হৈ ৰৈছে।

(৩) প্রতিস্থাপন ঃ

অর্থত ব্যাঘাত নজন্মোৱাকৈ পূর্বতে প্রয়োগ কৰি অহা শব্দ অথবা বাক্যাংশৰ পৰিৱর্তে তাৰ স্থানত অন্য এক শব্দ অথবা বাক্যাংশ বহুওৱাকে প্রতিস্থাপন বোলা হয়।

উদাহৰণ ঃ 'বিগ বাজাৰ'ৰ পৰা তেওঁ এটা চোলা কিনি আনিলে। তেওঁৰ বন্ধুৱেও এটা কিনিলে।

ছন্দ শাস্ত্রবো ই এক উপাদান। এবিধ চৰণৰ ছন্দৰ পৰিৱর্তে আন এবিধ চৰণৰ ছন্দৰ স্থাপনক ছন্দ শাস্ত্রত প্রতিস্থাপন কোৱা হয়। এটা দ্বিমাত্রিক চৰণৰ স্থানত আন প্রকাৰৰ দ্বিমাত্রিক ছন্দৰ প্রয়োগ হ'ব পাৰে। কবিতাত তেনে উদাহৰণ দেখা যায়।

(৪) বিলোপ অথবা বিলুপ্তি ঃ

ইয়াত একাংশ ৰচনা অথবা লেখনী উহ্য হৈ থাকিব পাৰে। বাক্যটোৰ লেখনীৰ পূর্বাংশৰ পৰা সেইখিনি উদ্ধাৰ কৰিব পাৰি। যেনে, আপুনি মি. সিঙক ক'ত লগ পাইছিল? দিল্লীৰ এখন সভাত।

ব্যাকৰণৰ মতে আৰু অলংকাৰ শাস্ত্রতো এটা নাইবা একাধিক শব্দ উহ্য ৰাখি বাক্য গঠন কৰাৰ পূর্বৰেপৰা আছে। কবিতাতো ইয়াৰ প্রচলন আছে।

(৫) দ্বিৰুক্তি নাইবা পুনৰুক্তি ঃ

এটা অনুচ্ছেদৰ পৰৱর্তী বাক্যসমূহত এটা অনুভাৱ পূর্ণভাৱে অথবা আংশিকভাৱে যেতিয়া পুনৰোক্ত হয় অর্থাৎ পুনৰবাৰ প্রকাশিত হয়, তেতিয়া লেখনীত এটা সুসংগতি স্থাপন হোৱা দেখা যায়।

যেনে,

শচীন তেণ্ডুলকাৰে ত্রিচত্বাৰিংশ শতক পূর্ণ কৰি ভাৰতক শ্রীলংকাৰ বিৰুদ্ধে প্রথম টেষ্টখন 'ড্র' কৰাত সহায় কৰিলে। লগতে টেণ্ডুলকাৰে আন্তর্জাতিক ক্রিকেটত ৩০,০০০ ৰান অতিক্রম কৰোঁতা প্রথমগৰাকী 'ক্রিকেটাৰ' ৰূপেও প্রতিষ্ঠিত হ'ল।

(৬) শব্দগত নাইবা শব্দার্থগত সম্বন্ধ ঃ

ই এক বাক্য গঠন কৌশল— ইয়াত এটা শব্দই পৰৱৰ্তী আন শব্দ অথবা বাক্যাংশৰে সৈতে এক গাঁথনিক সম্পর্ক স্থাপন কৰে। যেনে,

অভ্যর্থনাৰ **খাদ্য সম্ভাৰ** অপূর্ব আছিল। মই **মাছৰ টেঙা** সকলোতকৈ ভাল পাইছিলোঁ।

(৭) তুলনা ঃ

এইটোও এটা বাক্য গঠনৰ ৰীতি য'ত পূর্ববাক্যবোৰৰ এক তুলনামূলক অনুভাৱ স্বাভাৱিকতে মানি লোৱা হয় আৰু তাৰ পৰিণাম পৰৱৰ্তী বাক্যত প্রতিফলিত হয়।

উদাহৰণ ঃ

বাৰিষা কালত নগৰখনৰ সকলো বাট-পথ বেয়া হৈ পৰিছে। **কিন্তু এটা পথ সবাতোকৈ বেয়া হৈছে।**

এনেদৰেই এই সংগতিপূর্ণ সংযোগ সূত্রবোৰে এটা পাঠৰ বাক্যবোৰ কেনেকৈ ৰজিতা খাই সংলগ্ন হৈ থাকে সেই কথা ব্যাখ্যা কৰাত সহায় কৰে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ২ ঃ অনুচ্ছেদবোৰ সাধাৰণতে অতি সুসংগতিপূর্ণ লেখনী। সুশৃঙ্খলভাৱে আৰু ক্রমিকভাৱে বাক্যবোৰ ইয়াৰ পূর্বৱৰ্তী বাক্যবোৰৰ সৈতে যুক্ত হৈ থাকে। বাক্যবোৰ যেতিয়া ওলট-পালটভাৱে আৰু বিশৃংখল ক্রমত ৰখা হয়, তেতিয়া ই সংগতিপূর্ণ বান্ধোনৰ প্রয়োজনীয়তা স্পষ্ট হৈ পৰে।

তলৰ বাক্যকেইটালৈ লক্ষ্য কৰক। বিশৃঙ্খল ক্রমত সংগতিবিহীনভাৱে সজোৱা আছে। বান্ধোনটো বিবেচনা কৰি মূলক্রমত বাক্যবোৰ পুনৰ সজাওক।

(ক) এক বিশাল বৰফাবৃত পতিত ভূমধ্যাঞ্চলৰ বাহিৰে যুদ্ধ কৰিবলৈ ইয়াত একো নাই।

(খ) পৃথিৱীৰ উচ্চতম স্থানৰ এক যুদ্ধক্ষেত্রত যুদ্ধ কৰি থকা হৈছে আৰু ইতিমধ্যে শত শত লোকৰ প্রাণহানি হৈছে।

(গ) কোনো পক্ষই নিবিচৰা এইখন যুদ্ধ।

(ঘ) তথাপি হতাহতৰ নব্বৈ শতাংশই শীতৰ প্রকোপ আৰু অঞ্চলৰ ভয়ানক কর্কশতাৰ বলি হৈছিল।

(ঙ) তথাপিও এই যুদ্ধ ৮ বছৰ চলিছে আৰু তাৰ উপশম হোৱাৰ কোনো চিন দেখা পোৱা হোৱা নাই।

(চ) তথাপিও উভয় পক্ষই প্রতিদিনে যুদ্ধ চলাই নিবলৈ আৰু সৈন্যদল প্রেৰণ কৰাৰ বাবে তিনি কোটিকৈ টকা খৰচ কৰে।

৮.৪ অনুচ্ছেদ নির্মাণ

ওপৰৰ শাখাটোত অনুচ্ছেদ নির্মাণ সম্পর্কে কিছু কথা আপুনি পঢ়িলে। ইয়াত পুনৰ কেইটামান কথা উল্লেখ কৰা হৈছে।


অনুচ্ছেদক বাক্যতকৈ অধিক পৰিসৰৰ একো একোটা গোট বুলি ক'ব পাৰি। এটা নির্দিষ্ট বিষয়ৰ বক্তব্য উপস্থাপনৰ বাবে কিছুমান বাক্য সংগতিপূর্ণভাৱে সংগঠিত কৰা হয়। তেনে বাক্যবোৰৰ সমষ্টিৰে অনুচ্ছেদ গঠিত হয়। এই বাক্যবোৰৰ মাজত সামঞ্জস্য থকাটো অত্যন্ত প্রয়োজনীয়। প্রকৃততে সুসংবদ্ধ অনুচ্ছেদ এটাৰ তিনিটা অত্যাৱশ্যকীয় গুণ থাকে — (ক) এটা কেন্দ্রীয় নিয়ন্ত্রণকাৰী ভাৱ (খ) সেই ভাৱটোৰ পর্যাপ্ত বিকাশ আৰু (গ) অনুচ্ছেদৰ অংশবোৰৰ মাজত সামঞ্জস্যপূর্ণ সংযোগ সংযুক্তি। বিষয়ৰ সংহতি, যুক্তিযুক্ত-শৃংখলা, যথার্থতা আৰু স্পষ্টতা এটা সুলিখিত অনুচ্ছেদৰ বৈশিষ্ট্য।

(ক) কেন্দ্রীয় নিয়ন্ত্রণকাৰী ভাৱ ঃ

কেন্দ্রীয় নিয়ন্ত্রণকাৰী ভাৱটো সাধাৰণতে এটা বাক্যতে থাকে। তাক বিষয় বাক্য বোলা হয়। অনুচ্ছেদটোৰ নিয়ন্ত্রিত বিকাশৰ বাবে বিষয় বাক্যটোৱে মূলভাৱক সমর্থন কৰা প্রত্যেকটো বাক্য আৰু সূক্ষ্ম বর্ণনাৰ সূচনা কৰি দিয়ে।

(খ) মূল ভাৱটোৰ পর্যাপ্ত বিকাশ ঃ

অনুচ্ছেদটোৰ নিয়ন্ত্রণকাৰী ভাৱটো পোৱাৰ পাছত আপুনি এই ভাৱটোৰ বিষয়ে বহু কথা পাঠকক ক'ব পাৰিব। ধৰক, আপুনি ফ্লেমিংগো চৰাইৰ বিষয়ে এটা অনুচ্ছেদ লিখিব। যদিহে অনুচ্ছেদটোৰ কেন্দ্রীয় নিয়ন্ত্রণকাৰী ভাৱ থকা বাক্যটো এনেধৰণৰ হয়— 'ফ্লেমিংগো চৰাই সমাজ পাতি মিলিজুলি বাস কৰা চৰাই', তেন্তে মূল ভাৱটোৰ পর্যাপ্ত বিকাশ হব তলত দিয়া ধৰণৰ ঃ



বিষয় বাক্যত থকা মূল ভাৱটো উল্লিখিত পাঁচটা সমর্থিত বাক্যত পোৱা তথ্য আৰু বিশদ বর্ণনাৰে এইদৰে বিকশিত কৰা হৈছে।

(গ) সামঞ্জস্যপূর্ণ সংযোগ ঃ

অনুচ্ছেদটোৰ অংশবোৰৰ মাজত সম্পর্ক যেতিয়া স্পষ্ট, স্বচ্ছ আৰু যুক্তিপূর্ণ হয় তেতিয়া তাক সুসঙ্গত হৈছে বুলি কোৱা হয়। ইয়াত পাঠকে এটা বাক্যৰ পৰা আনটো বাক্যলৈ আৰু এটা ভাৱৰ পৰা আনটো ভাৱলৈ বাক্যবোৰৰ সুসংবদ্ধতা দেখে মূল ভাৱৰ সৈতে থকা এই সম্পর্ক পাঠকে সহজভাৱে দেখা উচিত। চিন্তাৰ মসৃণ প্রবাহ সাধন কৰিবলৈ দুটা ব্যৱহৃত উপায় আছে— সুসংবদ্ধতা আৰু সংগতিপূর্ণতা। বিভিন্ন সংলগ্নকাৰী কৌশল অথবা প্রত্যক্ষ অথবা অপ্রকাশ্য সংযোগৰ ব্যৱহাৰেৰে ওপৰৰ পাঠটোৰ সুসংবদ্ধতা ৰক্ষা কৰা হৈছে আৰু যুক্তিপূর্ণ ভাব-চিন্তা তথা সূক্ষ্ম বর্ণনাৰ চিন্তানুক্রমৰ দ্বাৰা অনুচ্ছেদটো সুসংগতি সাধন কৰা হৈছে।

তলৰ অনুচ্ছেদটো পঢ়ি চাওক ঃ

> স্বদেশপ্রেম হৈছে নিজ দেশৰ প্রতি প্রেম। ই এটা প্রবল ভাৱানুভূতি। স্বদেশপ্রেম সম্পূর্ণৰূপে নিঃস্বার্থ আৰু মহৎ। স্বদেশপ্রেমিকে স্বদেশৰ বাবে প্রয়োজন হ'লে প্রাণ পর্যন্ত বিসর্জন দিব পাৰে। আদর্শবাদিতাই তেওঁক সাহস আৰু শক্তি যোগায়। কিন্তু ছদ্ম জাতীয়তাবাদ প্রকৃত দেশপ্রেম নহয়। উগ্র জাতীয়তাবাদে মানুহৰ মনক সংকীর্ণ আৰু স্বার্থপৰায়ণ কৰি তোলে। প্রকৃত স্বদেশপ্রেমে সকলো মানুহকে ভাল পাবলৈ শিকায় আৰু বিশ্বপ্রেমক অনুপ্রাণিত কৰে।

প্রথম বাক্যটোৱে ইয়াৰ বিষয় বাক্য। এই মূলভাৱক কেন্দ্র কৰিয়েই বিষয় বাক্যৰ সমর্থনত পৰৱর্তী বাক্যবোৰ ৰচনা কৰা হৈছে আৰু ভাবৰ সুসংগতিপূর্ণ বিকাশ ঘটোৱা হৈছে।

৮.৫ অনুচ্ছেদ লেখন প্রক্রিয়া

অনুচ্ছেদ লিখিবলৈ এগৰাকী লেখকে লেখন শৈলীৰ একাধিক স্তৰৰ বিষয়ে জানিব লাগে। প্রত্যেকটো স্তৰেই তেওঁক এটা নিখুঁত অনুচ্ছেদ লেখনৰ দিশে আগুৱাই লৈ যায়। এই সকলো স্তৰেৰে অনুচ্ছেদবোৰ নির্মিত হয়। নিম্নোক্ত পদক্ষেপবোৰে এই দিশত সহায় কৰে।

(ক) প্রাক্ লেখনী পর্যায় ঃ

যিটো বিষয়ৰ অনুচ্ছেদ নির্মাণ কৰা হয়, সেই বিষয়ে প্রথমেই চিন্তা কৰা প্রয়োজন। লিখাৰ আগতে আপুনি নিজকে দুটা প্রশ্ন কৰি চাব পাৰে ঃ

- মই কি ক'ব লাগে অথবা কি ক'ম?
- এই লিখা কোনে পঢ়িব?

গতিকে অনুচ্ছেদ নির্মাণৰ পূর্বে আপুনি কি বিষয়ে লিখিব সেয়া চিন্তা কৰিবই লাগিব। লগতে এয়াও ঠিক কৰিব লাগিব কি ক'ব। ক'বলৈ বহুতো আকর্ষণীয় কথা থাকিব পৰে আৰু কোনো বিষয় সম্পর্কে বহু চিন্তাও থাকিব পাৰে। কিন্তু সকলোখিনি লিখিবলৈ গ'লে অনুচ্ছেদটো বিশৃঙ্খল হৈ পৰিব।

এটা চিন্তা বিকশিত কৰাত মনোযোগ দিব লাগিব আৰু অনুচ্ছেদত সুশৃঙ্খলভাবে সজাই সেই চিন্তাটোক মূৰ্ত্ত ৰূপ দিব লাগিব।

(খ) বিষয় বাক্য লিখন ঃ

অনুচ্ছেদটোৰ মূল বিষয়বস্তু হ'ল বিষয়টো সম্পৰ্কে আপুনি প্ৰকাশ কৰিবলৈ বিচৰা প্ৰধান ভা�ৰটো। বিষয়বস্তুৰ প্ৰধান ভাৰটো প্ৰকাশক বাক্যটোৱেই হ'ল বিষয় বাক্য। প্ৰধান বিষয়বস্তুটোৱে যদি আপোনাক আকৰ্ষণ কৰে তেন্তে তাক আপুনি উপস্থাপন মনোগ্ৰাহীকৈ ব্যাখ্যা অথবা প্ৰমাণ কৰিব পাৰে। বিষয়বস্তুটো প্ৰধান ভাৰটোৰ মাজতে সীমাৱদ্ধ হৈ থাকে।

(গ) বিষয়বস্তুৰ প্ৰতি সমৰ্থন ঃ

উপস্থাপন, ব্যাখ্যা অথবা আপোনাৰ বিষয়বস্তুক প্ৰমাণ কৰিব পৰা পুঙ্খানুপুঙ্খ কথা আৰু তথ্যবোৰেৰে বিষয়বস্তু তথা বিষয় বাক্যক সমৰ্থন কৰক।

(ঘ) ভাৱবোৰক যুক্তিসংগত ক্ৰমত সজ্জিতকৰণ ঃ

আপোনাৰ ভাৱবোৰক শৃঙ্খলাৱদ্ধ কৰক। ভাৱবোৰক যথাযথ অনুক্ৰমত উপস্থাপন কৰাই হৈছে শৃঙ্খলাৱদ্ধকৰণ। প্ৰথমে কি লিখিব, তাৰ পাছত কি, এনেদৰে লেখনীটো যুক্তিসংগতভাৱে আগুৱাই নিব লাগিব। প্ৰতিটো বাক্যই যাতে পূৰ্বৱৰ্তী বাক্যৰ লগত সহজভাৱে যুক্ত হৈ থাকে তালৈ লক্ষ্য ৰাখিব। যুক্তিসংগত ক্ৰমত বাক্যৰ বক্তব্যখিনি সজাই নল'লে অনুচ্ছেদটো বিশৃঙ্খল হ'ব আৰু সুসংগত নহ'ব।

(ঙ) অনুচ্ছেদৰ পুনৰীক্ষণ ঃ

আপোনাৰ লেখনীৰ উৎকৰ্ষ সাধন কৰিবলৈ লেখনীটোৰ পুনৰীক্ষণ আৰু সম্পাদনা কৰাৰ দুটা ভিন্ন পদ্ধতি আছে। পুনৰীক্ষণ হৈছে আপোনাৰ ৰচনাৰ ভাৱটো অধিক স্পষ্ট, শক্তিশালী আৰু প্ৰত্যয়শীল কৰিবলৈ প্ৰয়োজন মতে পৰিৱৰ্তন কৰা। এইদৰে সংশোধন কৰোঁতে আপুনি বাক্যবোৰ সংযোজন, বিযোজন নাইবা পৰিমিতিকৰণৰ দ্বাৰা পৰিৱৰ্তন কৰিব পাৰে। সম্পাদনা হৈছে আপুনি অনুচ্ছেদটোৰ নাইবা লেখনীৰ কোনো অংশত গুৰুত্ব দিবলৈ আৰু ৰচনাখন সুসংৱদ্ধ কৰিবলৈ ব্যাকৰণ সংক্ৰান্তীয় শুদ্ধতা, ৰচনা শৈলী, প্ৰয়োগ ৰীতি তথা যতি চিহ্ন আদিৰ ব্যৱহাৰ সম্পৰ্কীয় সমস্যাবোৰ চোৱা পৰীক্ষণ কৰা কাৰ্য। ইয়াৰ বাবে আপুনি শব্দ নাইবা বাক্যাংশৰ যোগ-বিয়োগ, কৰ্তন নাইবা পৰিৱৰ্তন কৰিব পাৰে।

৮.৬ ৰচনা/প্ৰৱন্ধ নির্মাণ

লেখনীৰ এক বিশেষ বিভাগ হৈছে ৰচনা নাইবা প্ৰৱন্ধ নির্মাণ। ৰচনা নাইবা প্ৰবন্ধ লিখিয়ো খ্যাতিমান সাহিত্যিক হ'ব পাৰি।

অনুচ্ছেদৰ দৰেই ৰচনা নাইবা প্ৰৱন্ধও নিমার্ণ কৰা হয়। পার্থক্য এয়ে যে ৰচনাৰ পৰিসৰ নাইবা অৱয়ব অনুচ্ছেদতকৈ ডাঙৰ। ৰচনা নাইবা প্ৰৱন্ধ একাধিক অনুচ্ছেদৰ সমষ্টি। ৰচনাৰ অংশবোৰ অনুচ্ছেদৰ অংশবোৰৰ সৈতে একে। অনুচ্ছেদৰ প্ৰত্যেকটো বাক্যলৈ অৰিহণা যোগোৱা এটা নিয়ন্ত্ৰণকাৰী ভাৱ নাইবা এটা বিষয়বাক্য থকাৰ দৰে এখন ৰচনাতো অনুচ্ছেদবোৰৰ আঁৰত এটা নিয়ন্ত্ৰণকাৰী ভাৱ থাকে। পূৰ্বতে উল্লেখ কৰি অহা এটা সুলিখিত অনুচ্ছেদত থকাৰ দৰেই ৰচনা এখনতো থাকিব লাগে— **(ক) এটা কেন্দ্ৰীয় নিয়ন্ত্ৰণকাৰী ভাৱ, (খ) সেই ভাৱৰ পর্যাপ্ত বিকাশ আৰু (গ) ৰচনাৰ অংশ/অনুচ্ছেদবোৰৰ মাজত সুসংবদ্ধ সম্পর্ক।**

এখন ৰচনা আৰু এটা অনুচ্ছেদৰ পার্থক্য মাথোন আকাৰতহে থকা দেখা যায়। উদাহৰণস্বৰূপে, 'স্বদেশ প্ৰেম'ৰ বিষয়ে লিখা অনুচ্ছেদটোক এখন সম্পূর্ণ ৰচনালৈ সম্প্ৰসাৰিত কৰিব পাৰি।

যদি এটা অনুচ্ছেদক পূর্ণ ৰচনালৈ বিকশিত কৰা যায়, তেন্তে তাৰ বিষয়বাক্যটো ৰচনাৰ মূল উক্তি নাইবা মূলভাৱ হ'ব পাৰে। লগতে অনুচ্ছেদ গঠন প্ৰক্ৰিয়াৰ ৫টা মূল বিষয় ৰচনা এখনৰ অনুচ্ছেদসমূহৰ বিষয় বাক্য হ'ব পাৰে। তেতিয়া আপুনি পুংখানুপুংখভাৱে প্ৰত্যেকটো বিষয় বহলাব, ৰচনা এখনৰ অনুচ্ছেদবোৰৰ মাজত সংযোগ স্থাপন কৰিব আৰু ৰচনাখনত প্ৰয়োজনীয় পাতনি নাইবা পৰিচয় তথা সামৰণি সংযোজিত কৰিব পাৰিব। ৰচনাক এটা শিৰোনাম প্ৰদান কৰিব লাগে। তদুপৰি এখন ৰচনাৰ বাবে পাতনি নাইবা আৰম্ভণি আৰু সমাপ্তি নাইবা সামৰণি লিখিব লাগে।

আৰম্ভণি ঃ পাতনি নাইবা পৰিচয়

ৰচনাৰ আৰম্ভণিৰ অনুচ্ছেদটো উপস্থাপন কৰোঁতে তাক আপুনি বাণিজ্যিক প্ৰত্যাহ্বান ৰূপে ভাবিব লাগিব।

- ইয়াত আকর্ষণ, চমৎকাৰিত্ব আৰু কৌতূহল থাকিব লাগিব। পাঠকৰ মনোযোগ আকর্ষণ কৰাটো হ'ল প্ৰধান কথা।
- ইয়াত ৰচনাখন নিয়ন্ত্ৰণকাৰী ভাৱটো উপস্থাপন কৰিব লাগিব।
- ইয়াত ৰচনাখন বিষয়বস্তু কি হ'ব নাইবা ৰচনাখনে কি কথা সামৰি ল'ব তাৰ স্পষ্ট ধাৰণা দাঙি ধৰিব লাগিব।
- দীর্ঘতা, বাগাড়ম্বতা, উদ্দেশ্যহীনতা আৰু অস্পষ্ট সাধাৰণীকৰণ আৰু প্ৰয়োজনহীন অলংকাৰ বর্জন কৰিব লাগিব।

ৰচনাৰ পাতনি নাইবা আৰম্ভণি এনে ধৰণৰ হ'ব পাৰে ঃ

(ক) প্রত্যক্ষ উক্তি ঃ

"তেওঁৰ দিনৰ সর্বোত্তম নাট্য-পৰম্পৰাৰ অনুসৰণ আছিল শ্রীশঙ্কৰদেৱৰ নাট্য আৰু সাহিত্যৰ আদর্শ। ঠিক একে ধৰণৰ আদর্শৰ দ্বাৰা উদ্বুদ্ধ হৈ আমাৰ নাট্যকাৰ আৰু সাহিত্যিকসকলে সাহিত্য ৰচনা কৰিলে আমাৰ নিজৰে শ্রেষ্ঠ পৰম্পৰাৰ অনুসৰণ হয়।" (অজিৎ বৰুৱা ঃ এবচার্ডৰ নাটক)

(খ) ক্ষুদ্র সত্য কাহিনী ঃ

"তোমালোকে জানা যে মই **'ভাৰত আৱিষ্কাৰ'** নামৰ গ্রন্থ এখন লিখিছিলো। সেই গ্রন্থখন লিখাৰ বহু কাল আগৰপৰাই মই ভাৰতৰ বিষয়ে গৱেষণা কৰিছিলো।" (জৱাহৰলাল নেহৰু ঃ এডভাইচ টু য়ুথ)

(গ) কৌতূহলোদ্দীপক উক্তি ঃ

ছক্রেটিছক 'দর্শনৰ প্রথম শ্বহীদ' বোলা হৈছিল। ইয়াৰ অর্থ হৈছে যে প্রজ্ঞা আৰু সত্যক ভালপোৱা আৰু অন্বেষণ কৰাৰ প্রয়াস চলোৱা বাবে তেওঁৰেই প্রথম মৃত্যু বৰণ কৰিবলগীয়া হৈছিল। (জে.বি. নীলচনঃ ছক্রেটিছ)

(ঘ) শিৰোনামৰ পুনৰুক্তি ঃ

'জুলিয়াচ চিজাৰ' নাটকত কেচিয়াচে ব্রুটাচক কয়, 'কেতিয়াবা মানুহ নিজেই নিজৰ ভাগ্যৰ গৰাকী।' কিন্তু প্রকৃততে আমি আমাৰ ভাগ্যৰ গৰাকী হয় নে? নে আমি কৰি থকা সকলো কার্যই নির্দিষ্ট আৰু পূর্ব নির্ধাৰিত? (ষ্টিফেন হকিং ঃ ইজ এভ্রিথিং ডেটাৰমাইনড?)

(ঙ) অগতানুগতিক উক্তি ঃ

ইউৰোপৰ বহুত লোকে ভাবে যে তেওঁলোক সভ্য জাতি আৰু এচিয়াৰ মানুহবোৰ যথেষ্ট বর্ব্বৰ।

ওপৰৰ আৰম্ভণি বাক্যবোৰ বিখ্যাত গ্রন্থকাৰ আৰু নিৰন্ধকাৰসকলৰ দ্বাৰা লিখিত। এই বাক্যবোৰ ভালকৈ অধ্যয়ন কৰি চাওক। কেনেকৈ তেওঁলোকে পাঠকক আকর্ষণ কৰিবলৈ চেষ্টা কৰিছে আৰু ৰচনাসমূহত নিজ নিজ ভাৱ বিকশিত কৰি বিষয় বাক্যটো আগু�ৰাই নিছে তালৈ মন কৰক।

২। অনুচ্ছেদবোৰৰ মাজৰ অৱস্থান্তৰ ঃ

এটা অনুচ্ছেদৰ ভিতৰত সংযোজিত অংশবোৰ যি ধৰণে সজোৱা হয়, সেই একে ধৰণে অনুচ্ছেদবোৰৰ অৱস্থান্তৰ সংঘটিত হয়। ৰচনাৰ ক্ষেত্রত এটা অনুচ্ছেদে অন্যান্য অনুচ্ছেদবোৰৰ সৈতে আৰু সমগ্র ৰচনা গাঁথনিটোত সংযোগ ৰক্ষা কৰে। অসংলগ্ন অনুচ্ছেদ এটা সমষ্টি ৰচনা নাইবা প্রৱন্ধ হ'ব নোৱাৰে। ৰচনা নাইবা প্রৱন্ধত এটা সামগ্রিক ৰূপ বিচাৰ কৰিব লাগিব আৰু

আগতে কৈ অহাৰ দৰে প্ৰত্যেকটো অনুচ্ছেদেই ক্ৰম অনুসাৰে সামগ্ৰিক ভাৱটোক আগুৱাই নিব লাগিব। অনুচ্ছেদবোৰৰ মাজত থাকিবলগীয়া অত্যন্ত প্ৰয়োজনীয় উপাদান হ'ল দুটা — সুসংৱদ্ধতা বা ঐক্যবদ্ধতা আৰু সুসংগতিপূৰ্ণতা। এই দুয়োটা উপাদানে অনুচ্ছেদবোৰৰ মাজৰ অৱস্থান্তৰ মসৃণ কৰি তোলাত সহায় কৰে।

ইয়াত এখন ৰচনাৰ পাঠাংশ উদ্ধৃত কৰা হ'ল। ড° বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে লিখা **'আদৰ্শ ব্যাক�ৰণ ৰচনা আৰু অনুবাদ'** নামৰ গ্ৰন্থখনত থকা **'ব্ৰহ্মপুত্ৰ'** নামৰ ৰচনাখন লোৱা হৈছে। ইয়াতো আপুনি উদাহৰণ হিচাপে তুলি দিয়া অনুচ্ছেদসমূহৰ সুসংৱদ্ধতা আৰু সুসংগতিপূৰ্ণতা দেখিবলৈ পাব। ৰচনাখনত ভাৱৰ বিকাশ ক্ৰমিক গতিত আগবাঢ়ি গৈছে আৰু ৰচনাৰ ক্ৰম অক্ষুণ্ণ আছে। সম্পূৰ্ণ ৰচনাখন উল্লেখ কৰি অহা গ্ৰন্থত পঢ়িবলৈ পোৱা যাব (পৃষ্ঠা সংখ্যা - ২২১)।

ব্ৰহ্মপুত্ৰ

যদিও বৈদিকমন্ত্ৰ আদিত গঙ্গা-যমুনা-সৰস্বতীৰ লগত ব্ৰহ্মপুত্ৰৰ উল্লেখ নাই, তথাপি অশোকাষ্টমীৰ দিনা মহাবাহু ব্ৰহ্মপুত্ৰত পুণ্যাৰ্থীৰ দলে একান্ত বিশ্বাসেৰে স্নান কৰি দেহ-মন পৱিত্ৰ কৰে। অসম দেশৰ পূব মূৰৰপৰা পশ্চিম মূৰলৈকে জুৰি থকা ব্ৰহ্মপুত্ৰৰ সৈতে অসমবাসীৰ জীৱন-মৰণ সম্বন্ধ। ব্ৰহ্মপুত্ৰৰ উপত্যকাত পুৰণি ৰাজ্য, নগৰ, সভ্যতা গঢ়ি উঠিছিল। ব্ৰহ্মপুত্ৰই শিল্প-বাণিজ্যৰ সমৃদ্ধিৰ সাধন ধৰিছিল আৰু আজিও ব্ৰহ্মপুত্ৰই অসমৰ শিল্প-বাণিজ্যৰ প্ৰধান সহায়ক হৈ আছে।

হিমালয় পৰ্বতৰ উত্তৰে থকা তিব্বতৰ হিম প্ৰবাহৰ পৰা ব্ৰহ্মপুত্ৰ ওলাইছে। কোনোৱে কয় মানস সৰোবৰৰপৰা ব্ৰহ্মপুত্ৰ ওলাইছে। ব্ৰহ্মপুত্ৰ পূব ফালে প্ৰায় চাৰে চৈধ্য শ কিলোমিটাৰ বৈ গৈ হিমালয়ৰ পূব-সীমা অতিক্ৰম কৰি পূব মূৰেদি অসমত সোমাই ক্ৰমে দক্ষিণ-পশ্চিম হৈ বৈ গৈছে। অসম পাৰ হোৱাৰ পাছত ক্ৰমে দক্ষিণ ফালে গৈ ব্ৰহ্মপুত্ৰ বৰ্তমানৰ বাংলাদেশৰ মাজেদি গৈ বঙ্গোপসাগৰত পৰিছে। তিব্বতত ব্ৰহ্মপুত্ৰক চাম্পু (Tsampoh) বোলা হয়। উৎপত্তি স্থানৰপৰা সাগৰত পৰালৈকে ব্ৰহ্মপুত্ৰৰ দৈৰ্ঘ প্ৰায় ২৭০০ কিলোমিটাৰ। আৰ্যাৱৰ্তৰ জলধাৰা গঙ্গাৰ সৈতে ব্ৰহ্মপুত্ৰৰ তুলনা হয়। অৱশ্যে ব্ৰহ্মপুত্ৰৰ উপত্যকা ভূমি পৰ্বতীয়া আৰু সংকীৰ্ণ।

ব্ৰহ্মপুত্ৰ অসমৰ সমতলেদি বৈ গৈছে আৰু উত্তৰ আৰু দক্ষিণ দুয়োফালে থকা পৰ্বতবিলাকৰ পৰা বহুত সৰু-ডাঙৰ নৈ আহি ব্ৰহ্মপুত্ৰত পৰিছেহি। এইবিলাক নৈ-উপনৈৰ জলধাৰাৰে পুষ্ট হৈ ব্ৰহ্মপুত্ৰই বাৰিষা প্ৰায়ে সমতল ভূমিত প্লাৱনৰ সৃষ্টি কৰে। অন্যান্য নৈৰ প্লাৱনৰ দৰে ব্ৰহ্মপুত্ৰৰ প্লাৱনেও শস্যৰ অশেষ ক্ষতি কৰে। কিন্তু আনহাতে এনে প্লাৱনৰপৰা পানীত তল যোৱা ঠাই উৰ্বৰা হৈ খেতিৰ উপযোগী হৈ পৰে।

(*'আদৰ্শ ব্যাকৰণ ৰচনা আৰু অনুবাদ'*ঃ ড° বিশ্বনাৰায়ণ শাস্ত্ৰী ২০০৪)

সামৰণি ঃ

সামৰণি হ'ল ৰচনাৰ সর্বশেষ অংশ। ই আৰম্ভণি নাইবা পাতনিৰ দৰেই গুৰুত্বপূর্ণ। মূল বিষয়টো এবাৰ স্মৰণ কৰি দি পর্যবেক্ষণমূলক অভিমত প্রকাশ কৰা আৰু প্রয়োজনবোধে সংশ্লিষ্ট সমস্যাৰ প্রতিকাৰ আগবঢ়োৱাই হ'ল ইয়াৰ মূল কার্য।

এটা ভাল সামৰণিয়ে --

- মূল বিষয়টো পুনৰুল্লেখ কৰে।
- ৰচনাত কোৱা কথাখিনিৰ সংক্ষিপ্তসাৰ আগবঢ়ায়।
- কোনো কোনো ক্ষেত্রত পর্যবেক্ষণমূলক মন্তব্য প্রদান কৰে।

ইয়ে ৰচনাখনলৈ এটা সম্পূর্ণতাৰ ভাৰ আনি দিয়ে ।

৮.৭ আপোনাৰ লেখনীৰ সম্পাদনা

ইতিমধ্যে আমি অধ্যায়ৰ ১.৪ আৰু ১.৫ নং শিতান দুটাত অনুচ্ছেদ নির্মাণ আৰু ১.৬ নং শিতানৰ প্রৰন্ধ নাইবা ৰচনা নির্মাণ কৌশলৰ বিষয়ে আলোচনা কৰিছো। তাত লেখন প্রক্রিয়াত সুসংৰদ্ধতা আৰু সুসংগতি কেনেকৈ ৰক্ষা কৰা হয় সেই বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। অধ্যায়ৰ এই শিতানত এতিয়া লেখন প্রক্রিয়াৰ শেষ পদক্ষেপ সম্পাদনা কার্য কেনেকৈ কৰা হয় এই বিষয়ে আলোচনা কৰিম।

সম্পাদনাত আপুনি এইটো নিশ্চিত কৰিব লাগিব যে আপোনাৰ লেখনীত ভাৱবোৰ শুদ্ধভাৱে ব্যক্ত হৈছে আৰু প্রকাশভংগী প্রাঞ্জল হৈছে। ব্যাকৰণ, লেখন ৰীতি, শব্দ আৰু বাক্যৰ ব্যৱহাৰ, যতি স্থাপন তথা নির্মাণ কৌশল আদিত আপুনি পোৱা সমস্যাবোৰ সম্পাদনাত শুদ্ধ কৰিব লাগিব। এনে কৰোঁতে আপুনি কিছুমান শব্দ, বাক্যাংশ আৰু বাক্য পুনৰীক্ষণ, সংশোধন, পৰিৱর্তন নাইবা পুনৰগঠন কৰিবলগীয়া হ'ব পাৰে।

সম্পাদনা কার্যৰ মূল নীতিটো হৈছে দফা এটা পঠনযোগ্য হৈছে নে নাই সেইটো পৰীক্ষা কৰা। আপোনাৰ লেখা যথাযথ, স্পষ্ট আৰু পাঠকৰ বাবে আবেদনশীল হ'ব লাগিব। শব্দবোৰৰ শুদ্ধ প্রয়োগ হ'লে আপোনাৰ লেখনীটো যথাযথ হ'ব। লেখনী স্পষ্ট কৰিবলৈ সৰল বাক্য আৰু শুদ্ধ ব্যাকৰণ ব্যৱহাৰ কৰিব লাগিব। স্পষ্ট আৰু বর্ণনাত্মক শব্দই পাঠকৰ অনুভূতিক আকর্ষণ কৰে। সম্পাদনা কার্যত সম্পূর্ণ মুক্তভাৱে অভিধান ব্যৱহাৰ কৰিব লাগে। কোনো শব্দৰ বানান নাইবা ব্যাকৰণ সম্পর্কে আপোনাৰ সন্দেহ থাকিব পাৰে; তেনে অৱস্থাত অভিধান চাবলৈ ইতস্ততঃ নকৰিব। কেৱল বানান আৰু অর্থৰ বাবেই নহয়, বাক্যত শব্দ এটা কেনেকৈ ব্যৱহাৰ হয় সেই কথা বুজিবৰ বাবেও আপোনাক অভিধানখনৰ প্রয়োজন।

আপুনি ব্যৱহাৰ কৰা শব্দবোৰে পাঠকৰ বাবে স্পষ্ট আৰু শক্তিশালী ছবি এখন সৃষ্টি কৰা উচিত। কাৰণ অস্পষ্ট আৰু বিমূর্ত শব্দবোৰে আপুনি কি বুজাব খুজিছে সেইকথা বুজাব নোৱাৰিবও পাৰে। মনত ৰাখিব, মূল বিষয়টো উপস্থাপন কৰাত আপোনাক সহায় কৰিবলৈ লেখনীত কেৱল আপোনাৰ শব্দবোৰহে আছে। গতিকে শুদ্ধভাবে শব্দ নির্বাচন কৰিব লাগে।



৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি পঢ়ি আপুনি—

- লেখনী নির্মাণৰ কেইটামান মূল কথা, যেনে- ভাষাৰ 'ৰূপ' ৰ পৰা বাক্য গঠনলৈকে থকা ক্রমোচ্চ ধাৰাটোৰ বৈশিষ্ট্যবোৰৰ বিষয়ে জানিব পাৰিলে।
- বাক্য, পাঠ, অনুচ্ছেদ, আলোচনা আদিৰ অর্থ জানিব পাৰিলে।
- লেখনীৰ সুসংগত গঠন কেনে হ'ব পাৰে সেই বিষয়ে জানিলে।
- অনুচ্ছেদ লেখন, প্রবন্ধ নির্মাণ আদিৰ বিষয়ে অধ্যায়টিত আলোচনা কৰা হৈছে। অনুচ্ছেদৰ মাজৰ সুসংৱদ্ধতা আৰু সুসংগতিপূর্ণতা আদি বৈশিষ্ট্যৰ বিষয়ে অধ্যায়টিৰ পৰা শিকিব পাৰিলে। সেইদৰে প্রৱন্ধৰ মাজৰ অনুচ্ছেদবোৰৰ সুসংগতিৰ কথাও অধ্যায়টিত আলোচনা কৰা হ'ল।
- অধ্যায়টি পঢ়ি আপোনালোকে লেখনীৰ পুনৰীক্ষণ, সংশোধন আৰু সম্পাদনাৰ প্রয়োজনীয়তাৰ কথা জানিব পাৰিলে। সম্পাদনাৰ দ্বাৰা যে আপোনাৰ লেখনীৰ উৎকর্ষ সাধন হয় সেই বিষয়েও গম পালে।



৮.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১। Anker, S. (1998) : *Real Writing,* Bedford Books, Boston

২। Brown, G. & Yule, G (1983) : *Discourse Analysis,* Cambridge

৩। Crystal, D. (1987) : *The Cambridge Encyclopaedia of Language, Cambridge*

৪। Pink M.A. & Thomas, S.E. (1970) : *English Grammar, Composition and Effective Business Communication,* Ramnagar, New Delhi.



৮.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ

(খ) উপদেশ

(গ) পৰামৰ্শ

(ঘ) অনুৰোধ

(ঙ) বিনম্ৰ অনুৰোধ

(চ) অনুৰোধ

২নং প্ৰশ্নৰ উত্তৰ ঃ

ক্ৰম ঃ ৩, ৫, ২, ৪, ১, ৬।



৮.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ অৰ্থপূৰ্ণ অনুচ্ছেদ এটা নিৰ্মাণ কৰিবলৈ নিম্নোক্ত বাক্যবোৰ পুনৰ সজাওক।

(ক) ই কেন্দ্ৰীয়ভাৱে অৱস্থিত আছিল— ডাকঘৰৰ ওচৰত, বজাৰৰ ওচৰত। তথাপিও ই একাষৰীয়া আছিল আৰু হুলস্থূলৰ পৰা আঁতৰত আছিল।

(খ) অলপতে পাহাৰ-টিলাৰ আবাস ভৱনসমূহৰ ভিতৰৰ এটা অতিথিশালাত থকাৰ অতি সুখদায়ক এক অভিজ্ঞতা হৈছিল।

(গ) তাৰপৰা মনোৰম দৃশ্য দেখা পোৱা গৈছিল, খোৱা-লোৱাৰ সুন্দৰ ব্যৱস্থা আছিল আৰু মোৰ আল্‌পৈচান ধৰিবলৈ অতি সুন্দৰী তত্ত্বাৱধায়িকাসকলৰ ভিতৰৰ এগৰাকীক দায়িত্ব দিয়া হৈছিল।

(ঘ) মোক আগতেই বন্ধু এজনে এই স্থানৰ চুপাৰিশ কৰিছিল আৰু দাবী কৰিছিল যে ইয়াৰ অতিথিশালাত অন্য সকলো অতিথিশালা নথকা সকলো সা-সুবিধা আছে।

প্ৰশ্ন নং ২ ঃ প্ৰতিস্থাপন বুলিলে কি বুজে?

খ) চুটি প্ৰশ্ন (প্ৰতিটো উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন নং ১ ঃ নিম্নোক্ত বিষয়বোৰৰ পৰা যিকোনো এটা বিষয় বাছি এটা অনুচ্ছেদ লিখক ঃ

(ক) এটা ৰে'ল ভ্ৰমণ

(খ) বন্যপ্ৰাণীৰ সুৰক্ষা